প্ৰথমে জানিব লাগে।

## খ। পদৰ আকাঙ্ক্ষা

২। **আকাঙ্ক্ষা** শব্দৰ সাধাৰণ অৰ্থ হেঁপাহ বা ইচ্ছা। বাক্যৰ গঠনত এই আকাঙ্ক্ষাই বাক্যৰ অপূৰ্ণতা গুচাই পূৰ্ণতা লাভ কৰাৰ ইচ্ছা বুজায়। বাক্যৰ এই অপূৰ্ণতা কিহৰ অপূৰ্ণতা? কিহে বাক্য সম্পূৰ্ণ কৰে সেই কথাও তোমালোকে জানিব লাগে। বাক্যৰ অপূৰ্ণতা গুচাই কিহে সম্পূৰ্ণ কৰে সেই কথা জানিবলৈ **বাক্যৰ, অৰ্থাৎ কথা কোৱাৰ সুৰ বা সুৰলহৰৰ জ্ঞান অপৰিহাৰ্য।**

৩। **সুৰ লহৰ।** আমি কথা কওঁতে কেৱল স্বৰ আৰু ব্যঞ্জন ধ্বনি, আৰু এই ধ্বনি বা ধ্বনি সমষ্টিৰে গঠিত শব্দ আৰু পদকেই উচ্চাৰণ নকৰোঁ। এইবোৰৰ লগতে কথা কোৱাৰ সুৰ বা সুৰ লহৰো এৰাব নোৱাৰাকৈ ওতপ্ৰোত ভাবে জড়িত হৈ থাকে। **সুৰ লহৰৰ অবিহনে বাক্য উচ্চাৰিত হ'বই নোৱাৰে বুলি মনত ৰাখিবাহঁক।**

সুৰলহৰ শব্দয় কথা কোৱাৰ লয় বুজায়। এই লয়ে পদসমষ্টিৰে নিৰ্মিত বাক্য, খণ্ডবাক্য, গৰ্ভবাক্য বা বাক্যাংশৰ সীমা নিৰ্ণয় কৰি দিয়ে। আমাৰ প্ৰচলিত ব্যাকৰণবোৰত কথাৰ লয় বিষয়টো সম্পূৰ্ণ উপেক্ষা কৰা হৈ আহিছে। প্ৰচলিত ব্যাকৰণৰ লিখকসকলৰ মতে সমাপিকা ক্ৰিয়া পদে বাক্য শেষ কৰে; অৰ্থাৎ সমাপিকা ক্ৰিয়াপদযুক্ত পদসমষ্টিয়েই বাক্য। পিচে, এই কথাটো শুদ্ধ নহয়। **কাৰণ, বাক্য ক'ত শেষ হ'ব সেইটো কথা কোৱাৰ লয় বা সুৰ লহৰেহে প্ৰধানতঃ নিৰ্ণয় কৰে।** তদুপৰি, কোনো এটা বাক্যয় সাধাৰণ বিবৃতি

## গ। পদৰ যোগ্যতা

৯। পদৰ আকাংক্ষাৰ দৰেই পদৰ যোগ্যতাও পদসঙ্গতি আৰু পদসংহতিৰ এটা গুৰুত্বপূৰ্ণ আলোচ্য বিষয়। বাক্যত যিকোনো পদ যি কোনো পদৰ লগত বহিব নোৱাৰে। যোগ্যতা অনুসৰিহে বাক্যত পদৰ চয়ন আৰু উপস্থাপন হ'ব পাৰে। পদৰ যোগ্যতা নিৰ্ভৰ কৰে দুটা কথাৰ ওপৰত; যেনে ঃ

প্ৰথমতঃ **পদৰ অৰ্থ**; আৰু

দ্বিতীয়তঃ **পদৰ ৰূপ বা গঠন**।

১০। **অৰ্থগত যোগ্যতা**। বাক্যত ব্যৱহৃত পদৰ অৰ্থৰ সঙ্গতি বা মিল থাকিব লাগে। কেনেদৰে, মন কৰা ঃ

**আমি ভৰিৰে খোজ কাঢ়োঁ**, আৰু **হাতেৰে ভাত খাওঁ।**

এতিয়া, যদি কোৱা হয়, আমি **হাতেৰে** খোজ কাঢ়োঁ, **ভৰিৰে** ভাত খাওঁ, তেনেহ'লে পদৰ অৰ্থৰ বিসঙ্গতিৰ কাৰণে বাক্যটো ভুল হ'ব।

এনেকৈয়ে, আমি অসমীয়া মানুহে **ভাত খাওঁ**; কিন্তু **পানী পিওঁ**। অৱশ্যে **পানী খাওঁ** বুলিলেও **খাওঁ** ক্ৰিয়াৰ অৰ্থত কোনো বিসঙ্গতি দেখা নাযায়। আমি অসমীয়া মানুহে প্ৰায় সকলো খোৱা বস্তুকেতো খাৱেঁই, আনকি, **চৰলাঠি খাওঁ, গালিশপনি খাওঁ, উজুটিও খাওঁ।**

এতিয়া চোৱা ঃ **খাওঁ** আৰু **পিওঁ**— এই দুয়োটা ক্ৰিয়া পদেৰে পানী খোৱা কথা বুজাব পাৰি কাৰণেই ভাত খোৱাৰ ক্ষেত্ৰতো **আমি ভাত পিওঁ** বুলি ক'ব নোৱাৰোঁ। **ভাত** কৰ্মপদ; অৰ্থৰ লগত সঙ্গতি ৰক্ষা কৰি ক্ৰিয়া পদটো **পিওঁ** গুচাই **খাওঁ** কৰিলেহে বাক্যটো শুদ্ধ হ'ব।

ঠিক এনেদৰে, আমি যি কোনো বস্তু লগ কৰোঁ। যেনে,

১২। **ৰূপগত যোগ্যতা।** অৰ্থৰ যোগ্যতাৰ দৰে ৰূপগত যোগ্যতাও বাক্যৰ গঠনত অতি প্ৰয়োজনীয় এটা গুণ। ৰূপগত যোগ্যতাৰ অভাৱত বাক্য দেখাত শুদ্ধ যেন লাগিলেও প্ৰকৃতাৰ্থত অসাৰ্থক আৰু ভুল হয়।

পদৰ ৰূপগত যোগ্যতাকো দুটা ভাগত ভগোৱা হয়। যেনে ঃ

**ৰূপাত্মক যোগ্যতা**; আৰু

**সাধনগত যোগ্যতা।**

১৩। **ৰূপাত্মক যোগ্যতা।** তোমালোকে ইতিমধ্যে শব্দৰ ৰূপ আৰু ধাতুৰ ৰূপৰ কথা পঢ়ি আহিছা। সম্বন্ধবাচক পুৰুষৰ বিভক্তি (পৃষ্ঠা ১৪২—১৫১) আৰু কাৰকৰ বিভক্তি (পৃষ্ঠা ১৫১—১৫৯) যোগ হ'লে নামশব্দবোৰ বাক্যত ব্যৱহাৰৰ উপযোগী পদ হয়। সেইদৰে, ধাতু ৰূপৰ পুৰুষবাচক বিভক্তিবোৰ (পৃষ্ঠা ১৩৭—১৪০) যোগ হ'লে ধাতু বা ধাতুশব্দবোৰ ক্ৰিয়াপদ হৈ বাক্যত পদ হৈ পৰে। এই বিভক্তিবোৰ নালাগিলে বাক্যত শব্দ ব্যৱহাৰ হ'ব নোৱাৰে। নাইবা, **যি শব্দত য'ত যি বিভক্তি লাগে, সেই শব্দত সেই বিভক্তি নলগোৱাকৈ কথা ক'লে বা লিখিলে পদে ৰূপাত্মক যোগ্যতা হেৰুৱায়**; তেতিয়া বাক্য ভুল হয়।

উদাহৰণ স্বৰূপে তলৰ বাক্যদুটা পৰীক্ষা কৰা ঃ

**(ক) হাঁহবোৰ আকাশত উৰি আছে।**

**(খ) হাঁহবোৰে পুখুৰীত সাঁতুৰি আছে।**

এই বাক্যদুটাৰ ক্ৰিয়াপদ **উৰি আছে** আৰু **সাঁতুৰি আছে**— দুয়োটাই অকৰ্মক। সেইদৰে, **আকাশত** আৰু **পুখুৰীত**— একে অধিকৰণ কাৰকৰ পদ। তথাপি কৰ্তাপদ দুটাৰ **হাঁহবোৰ** আৰু **হাঁহবোৰে** ৰূপ বেলেগ হৈছে।

(ক)-বাক্যৰ **হাঁহবোৰ** পদত কৰ্তাকাৰকৰ **শূন্যবিভক্তি** যোগ হৈছে।

(খ)-বাক্যৰ **হাঁহবোৰে** পদত একে কৰ্তাকাৰকতে **এ-বিভক্তি** যোগ হৈছে। অৰ্থাৎ, **কৰ্তাপদ দুটাৰ ৰূপগত ভিন্নতা প্ৰকাশ পাইছে।** এই বাক্যদুটাৰ কৰ্তাপদ দুটা পৰীক্ষা কৰি বুজিলা যে, **সাঁতুৰি আছে** ক্ৰিয়া পদৰ লগত সঙ্গতি ৰক্ষা কৰিবলৈ হ'লে কৰ্তাপদটোত **এ-**বিভক্তিৰ নিতান্ত প্ৰয়োজন। কিন্তু, **উৰি আছে** ক্ৰিয়া পদৰ লগত সঙ্গতি ৰক্ষা কৰিবলৈ কৰ্তাপদত শূন্যবিভক্তিৰহে প্ৰয়োজন। পদৰ লগত পদৰ এনে সঙ্গতি স্থাপন কৰিব পৰা

## ঘ। পদৰ আসত্তি

**১৯। আসত্তি** শব্দ সংস্কৃতৰ আ-সদ্-তি (ক্তিন্) যোগত সাধিত হৈছে। ইয়াৰ ব্যুৎপত্তিগত অৰ্থ **ওচৰতে বহা বা লগালগিকৈ থকা অৱস্থা**, অৰ্থাৎ নিকটতা। অৰ্থগত আৰু ৰূপগত যোগ্যতা থকা পদবোৰ বাক্যত যথোপযুক্ত ক্ৰমত যথাসম্ভৱ ওচৰা উচৰিকৈ সজোৱা হয়। পদবোৰৰ এনে অৱস্থানকে পদৰ আসত্তি বোলে।

বাক্যত পদৰ আসত্তি নিৰ্ণয় কৰি তলত দিয়া কথাবোৰ জানিব পাৰি। যেনে,

(১) পদৰ লগত পদৰ সঙ্গতি আৰু সেই সঙ্গতিৰ গাঢ়তা।

(২) সমস্তপদ আৰু খণ্ডবাক্যৰ গঠন।

(৩) গৰ্ভবাক্যৰ গঠন আৰু অৱস্থান। আৰু,

(৪) বাক্যৰ অৰ্থৰ স্পষ্টতা।

## চ। বাক্যৰ প্ৰকাৰ

৩৪। **সৰল বাক্য।** বাক্য কাক বোলে তোমালোকে প্ৰাকৃতি প্ৰকৰণত পঢ়ি আহিছা। মাত্ৰ এটা বা দুটা পদেৰেও একোটা চুটিবাক্য হ'ব পাৰে; নাইবা, বহুতো পদ আৰু খণ্ডবাক্য লগ লাগিও একোটা দীঘল বাক্য হ'ব পাৰে বুলি পঢ়িছিলা।

কৰ্তা আৰু ক্ৰিয়াপদ যুক্ত চুটিবাক্যও পূৰ্ণবাক্য হ'ব পাৰে। যেনে,

**মানুহ মৰে। আমি ভাত খাওঁ।**

**তুমি কাইলৈ ক'লৈ যাবা?**

এই কেইটা পূৰ্ণবাক্যত ক্ৰিয়াপদ ব্যক্ত হৈ আছে। সেইদৰে,

**আজি দেওবাৰ।**

**'সোণৰ দ্ৰাৱক সুৱগা, কামৰ দ্ৰাৱক অভ্যাস।'**

**'মিঠা মাত ব্যৱহাৰ প্ৰণালীৰ ঘাই মন্ত্ৰ।'**

**'নম্ৰতা সজ ব্যৱহাৰৰ অনুপান।'**

**'খুচুৰীয়া খৰচৰ চোৰাং গতি।'** (সত্যনাথ বৰা)

**'সকলো যেন গাম্ভীৰ্য আৰু ৰহস্যৰে আচ্ছন্ন।'** (ডঃ কাকতি)

এই বাক্যবোৰত ক্ৰিয়াপদ ব্যক্ত হৈ থকা নাই যদিও প্ৰত্যেকটোৱেই একোটা পূৰ্ণবাক্য। এনে বাক্যক **সৰল বাক্য** বোলে।

৩৫। দীঘল সৰল বাক্যৰ উদাহৰণ চোৱা ঃ

(১) **'পুৰণি কালত উশীনৰ নামে এজন ৰজা আছিল।**

(২) **তেওঁ বৰ শিৱভক্ত আছিল আৰু শিৱৰ বৰত বৰ বিক্ৰমশালী হৈ উঠিল।'** (ড° কাকতি)

ইয়াৰ প্ৰথম বাক্যত কৰ্তাপদ **এজন ৰজা**, আৰু ক্ৰিয়াপদ **আছিল**; অৰ্থাৎ কৰ্তা আৰু ক্ৰিয়াপদ এটাকৈ পোৱা গৈছে।

দ্বিতীয় বাক্যত কর্তাপদ **তেওঁ**। এই কৰ্তাপদৰ ক্ৰিয়া পদ দুটা **আছিল** আৰু **হৈ উঠিল**। অৰ্থাৎ সৰল বাক্যত এটা কৰ্তাপদৰ ক্ৰিয়াপদ একাধিক থাকিব পাৰে। এইবাৰ, ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'অঘোণী বাই'-ৰ পৰা উদ্ধৃত তলৰ বাক্যটো পৰীক্ষা কৰা ঃ

> **'ডাক্তৰখানাৰ চকীদাৰৰ হতুৱাই কমলাই গা-ধোৱা ঘৰত পানী থোৱালে; ধুতি-গামোচা দিয়ালে; কেনভাচৰ আৰামী চকীখন ভিতৰ চোতালত পাতিলে; বিচনীখন আৰু পানী সলাই গুৰগুৰিটো কাযত থ'লে; চাহৰ নিমিত্তে জুইৰ ওপৰত পানীৰ টেকেলীটো তুলি দিলে।'**

এই গোটেই বাক্যটোত **থোৱালে, দিয়ালে, পাতিলে, থ'লে** আৰু **তুলি দিলে**— এই পাঁচোটা ক্ৰিয়াপদ আছে। ইহঁত গোটেইকেইটাৰে কৰ্তাপদ মাত্ৰ এটা, **কমলাই**। এইটোও এটা সৰল বাক্যৰ উদাহৰণ।

৩৬। এটা কৰ্তাপদৰ ক্ৰিয়াপদ একাধিক হ'লেও (যেনে, ওপৰৰ বাক্যটো) যেনেকৈ বাক্য সৰল হয়, তেনেকৈয়ে এটা মাথোন ক্ৰিয়াপদৰ একাধিক কৰ্তাপদ হ'লেও বাক্য সৰল হয়। যেনে,

> **শ্ৰীকৃষ্ণই পাঞ্চজন্য, কুন্তীপুত্ৰ যুধিষ্ঠিৰে অনন্ত বিজয়, ভীমকৰ্মা বৃকোদৰে পৌণ্ড্ৰ, ধনঞ্জয়ে দেৱদত্ত, নকুলে সুঘোষ আৰু সহদেৱে মণিপুষ্পক নামৰ শঙ্খ বজালে।**

এই বাক্যৰ ক্ৰিয়াপদ মাথোন এটা, **বজালে**; কিন্তু কৰ্তাপদ ছয়টা। এইটোও এটা সৰল বাক্য। এই সৰল বাক্যটোৰ প্ৰত্যেকটো কৰ্তাৰ লগত সমাপিকা ক্ৰিয়াপদটো যোগ দিলে ছয়টা সৰল বাক্য পোৱা যাব। যেনে,

(১) **শ্ৰীকৃষ্ণই পাঞ্চজন্য শঙ্খ বজালে।**
(২) **কুন্তীপুত্ৰ যুধিষ্ঠিৰে অনন্তবিজয় শঙ্খ বজালে।**
(৩) **ভীমকৰ্মা বৃকোদৰে পৌণ্ড্ৰ শঙ্খ বজালে।**
(৪) **ধনঞ্জয়ে দেৱদত্ত শঙ্খ বজালে।**
(৫) **নকুলে সুঘোষ শঙ্খ বজালে।**
(৬) **সহদেৱে মণিপুষ্পক শঙ্খ বজালে।**

এনেদৰে ছয়টা বাক্য সজাব পাৰি যদিও **বাক্যৰ গাঁথনিৰ বিচাৰত** ওপৰৰ মূল বাক্যটো মাথোন এটাহে সৰল বাক্য বুলি বুজিবাহঁক।

৩৭। **যৌগিক বাক্য**। দুটা বা ততোধিক পূৰ্ণবাক্য **আৰু, নাইবা, অথবা, কিন্তু, যদি, যদিও, কাৰণে, অথচ, তেনেহ'লে** আদি অব্যয় পদৰ দ্বাৰা সংযুক্ত হৈ এটা দীঘল বাক্যৰ সৃষ্টি হ'লে তেনে বাক্যক **যৌগিক বাক্য** বোলে। যেনে,

> **(ক) 'এই দুটি পিতৃ-মাতৃহীন শিশুক ফুকন আৰু ফুকননীয়ে তেওঁবিলাকৰ সমুদায় বস্তুৰে সৈতে ঘৰলৈ আনিলে আৰু জয়মতী নামে এটি বিধৱা ব্ৰাহ্মণী**

**আৰু কণিকী নামে এজনী দাসী সেই দুই শিশুৰ লগত আহিল।'** (গুণাভিৰাম বৰুৱাৰ ৰচিত আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ)

এই প্ৰধান বাক্যটোত দুটা স্বতন্ত্ৰ বাক্য আছে ঃ এটা,

**এই দুটি পিতৃ-মাতৃহীন..........ঘৰলৈ আনিলে।** আনটো,

**(আৰু) জয়মতী নামে........দুই শিশুৰ লগত আহিল।**

এই স্বতন্ত্ৰ বাক্য দুটাক **আৰু** অব্যয় পদে সংযুক্ত কৰিছে। এতেকে ই এটা যৌগিক বাক্য।

কেতিয়াবা কোনো অব্যয় পদৰ দ্বাৰা সংযুক্ত নোহোৱাকৈও দুটা বা ততোধিক স্বতন্ত্ৰ বাক্য লগ লাগি যৌগিক বাক্য হ'ব পাৰে। যেনে,

(খ) **ৰাম আহিল, শ্যাম নাহিল।**

ইয়াত **ৰাম আহিল** আৰু **শ্যাম নাহিল** দুটা স্বতন্ত্ৰ সৰল বাক্য লগ লাগি এটা যৌগিক বাক্য হৈছে; ইহঁত কোনো পদৰ দ্বাৰা সংযুক্ত হোৱা নাই। সেইদৰে,

(গ) **মাধৱ আহিলে আহিব, মোৰ চিন্তা কৰিব লগা একো নাই।**

ইয়াতো সংযোজক কোনো অব্যয় নাই। কোনো পদে সংযুক্ত নকৰা স্বতন্ত্ৰ বাক্যক কমা চিনেৰে (,) লগ লগোৱা হয়।

৩৮। **গৰ্ভবাক্য।** এটা প্ৰধান বাক্যৰ অন্তৰ্গত পূৰ্ণবাক্যক **গৰ্ভবাক্য (Clause)** বোলে। ওপৰৰ আলোচনাত পোৱা (ক), (খ) আৰু (গ) বাক্যৰ অন্তৰ্গত পূৰ্ণবাক্যবোৰ প্ৰধান বাক্য কেইটাৰ গৰ্ভবাক্য। অৰ্থাৎ, (ক)-বাক্যটোৰ

**এই দুটি পিতৃমাতৃহীন শিশুক........ঘৰলৈ আনিলে,** আৰু **জয়মতী নামে এটি.......লগত আহিল,**— এই দুটা গৰ্ভবাক্য।

সেইদৰে,

**ৰাম আহিল,** আৰু **শ্যাম নাহিল**— এই দুটা (খ)-বাক্যটোৰ গৰ্ভবাক্য।

এনেদৰেই,

**মাধৱ আহিলে আহিব,** আৰু **মোৰ চিন্তা কৰিব লগা একো নাই**— এই দুটা কমা চিনেৰে সংযুক্ত পূৰ্ণ বাক্যও (গ)-বাক্যৰ একোটাহঁত গৰ্ভবাক্য।

৩৯। **সম গৰ্ভবাক্য।** যৌগিক বাক্যৰ অন্তৰ্গত প্ৰত্যেকটো বাক্যকে **সম গৰ্ভবাক্য** (Coordinate Clause) বোলে। ওপৰৰ ছেদত আলোচিত গৰ্ভবাক্যবোৰ সম গৰ্ভবাক্য। অৰ্থাৎ, ইহঁত কোনো বাক্যৰ অধীন নহয়; **যৌগিক বাক্যত ইহঁতৰ প্ৰত্যেকৰে মৰ্যাদা সমান।**

৪০। **অধীন গৰ্ভবাক্য।** কেতিয়াবা একোটা দীঘল বাক্যত কৰ্তা, কৰ্ম আৰু ক্ৰিয়াপদৰ সম্প্ৰসাৰক ৰূপে পূৰ্ণবাক্যও ব্যৱহাৰ হ'ব পাৰে। এনে পূৰ্ণবাক্য কৰ্তা আৰু কৰ্মপদৰ পূৰকো হ'ব পাৰে। তেনে গৰ্ভবাক্যক প্ৰধান বাক্যৰ **অধীন গৰ্ভবাক্য** (Subordinate Clause) বোলে। যেনে,

**তুমি আজি আহিবা বুলি মই জানিছিলোঁ।**

ইয়াত, **মই জানিছিলোঁ** এটা পূৰ্ণ বাক্য। **তুমি আজি আহিবা বুলি**— এইটোও এটা পূৰ্ণ বাক্য। এই দুয়োটা পূৰ্ণ বাক্য লগ লাগি প্ৰধান বাক্যটো হৈছে। **তুমি আজি আহিবা বুলি**— এই বাক্যটো **জানিছিলোঁ** ক্ৰিয়াপদৰ কৰ্ম হৈছে। এতেকে,

**তুমি আজি আহিবা বুলি** বাক্যটো এটা অধীন গৰ্ভবাক্য; ইয়াৰ বিশেষ্যৰ দৰে প্ৰয়োগ হৈছে। অৰ্থাৎ, **মই জানিছিলোঁ**-হে প্ৰধান বাক্য।

এইবাৰ চোৱা ঃ

**'আনন্দৰাম ফুকন যেতিয়া সৰু আছিল তেতিয়া যজ্ঞৰাম ফুকনে দুইও ঘৰৰ কাৰবাৰ কৰিছিল।'** (গুণাভিৰাম বৰুৱা)

এই বাক্যত, **তেতিয়া যজ্ঞৰাম ফুকনে দুইও ঘৰৰ কাৰবাৰ কৰিছিল** প্ৰধান বাক্য। আৰু, **আনন্দৰাম ফুকন যেতিয়া সৰু আছিল** অধীন গৰ্ভবাক্য, **কাৰবাৰ কৰিছিল**— এই ক্ৰিয়াপদৰ সম্প্ৰসাৰক, ক্ৰিয়াবিশেষণৰ দৰে প্ৰয়োগ হৈছে।

**৪১। জটিল বাক্য। অধীন গৰ্ভবাক্যযুক্ত বাক্যক জটিল বাক্য (Complex sentense) বোলে।**

জটিল বাক্যৰ দুটামান উদাহৰণ চোৱা ঃ

**(ক) 'কিহৰ পৰা মানুহৰ কৃপণালি জন্মে তাক ঠাৱৰকৈ কোৱা টান।'**

(সত্যনাথ বৰা)

এই বাক্যত **তাক ঠাৱৰকৈ কোৱা টান** প্ৰধান বাক্য; **কিহৰ পৰা মানুহৰ কৃপণালি জন্মে** অধীন গৰ্ভবাক্য, **তাক** কৰ্মপদৰ পূৰক। **তাক** পদটোৰ উল্লেখ নহ'লে এই অধীন গৰ্ভ বাক্যটোৱেই প্ৰধান বাক্যটোৰ কৰ্ম হ'লহেঁতেন। তেতিয়া বাক্যটো হ'লহেঁতেন,

**কিহৰ পৰা মানুহৰ কৃপণালি জন্মে ঠাৱৰকৈ কোৱা টান।**

(খ) **'কৃপণবিলাকৰ জীৱন বৃত্তান্ত ভালকৈ গমি চালে দেখা যায় যে সিহঁতৰ কিছুমানে ধন উভৈনদী কৰি পৃথিৱীত এটা খ্যাতি ৰাখিবৰ মনেৰে কৃপণালি কৰে।'** (সত্যনাথ বৰা)

এই বাক্যটোৰ **কৃপণবিলাকৰ জীৱন.....দেখা যায় (যে)**, প্ৰধান বাক্য। ইয়াৰ পিচৰ অংশ, অৰ্থাৎ **সিহঁতৰ কিছুমানে ....... কৃপণালি কৰে**— অধীন গৰ্ভবাক্য; ই প্ৰধান বাক্যৰ **দেখা যায়**— এই সকৰ্মক ক্ৰিয়াপদৰ কৰ্মৰূপে প্ৰয়োগ হৈছে; আৰু, **যে**— এই অব্যয় পদে অধীন গৰ্ভবাক্যটো প্ৰধান বাক্যৰ অন্তৰ্ভুক্ত কৰিছে। অব্যয়ৰ প্ৰয়োগ নকৰাকৈও তাৰ ঠাইত কমা (,) নাইবা কমা আৰু ডেচ (,—) দি অধীন গৰ্ভবাক্য সংযুক্ত কৰিব পাৰি।

জটিল বাক্যৰ জটিলতাৰ এটা উদাহৰণলৈ লক্ষ্য কৰা ঃ

**'বিদুষী হেলইছাই বিয়াৰ প্ৰস্তাৱত আপত্তি তুলিলে— প্ৰথমতঃ দয়ায়েকৰ স্বভাৱ তেওঁ ভালকৈ জানে। বিয়াৰ চেলু লৈ দদায়েকে আবেলাৰ্ডৰ ওপৰত**

**প্ৰতিশোধ ল'বলৈ চেষ্টা কৰিব। দ্বিতীয়তঃ বিয়াৰ পৰা তেওঁৰ যি ভৱিষ্যৎ উন্নতিৰ ভেটা হ'ব তাত, তেওঁ নিজকেই গৌৰৱান্বিত বুলি ভাবিব কেনেকৈ?'**

(ড° বাণীকান্ত কাকতি)

এই কথাখিনি আচলতে এটাহে দীঘল জটিল বাক্য, যদিও মাজতে দুডাল দাঁবিৰ ব্যৱহাৰ হৈছে।

**বিদূষী হেলইছাই.........আপত্তি তুলিলে**— এইটো প্ৰধান বাক্য। ইয়াৰ পিচৰ,

**প্ৰথমতঃ দদায়েকৰ ............চেষ্টা কৰিব**, আৰু **দ্বিতীয়তঃ বিয়াৰ পৰা** ........... **বুলি ভাবিব কেনেকৈ?**

এই গোটেই দীঘল অংশটো প্ৰধান বাক্যৰ অন্তৰ্গত কৰ্ম। ইয়াক তলত দেখুওৱাৰ দৰে নতুনকৈ আকৌ (ক)-আৰু (খ)-ভাগত ভগালে প্ৰত্যেকটো ভাগতে দুটাকৈ মুঠ চাৰিটা গৰ্ভবাক্য পোৱা যায়।

যেনে ঃ

**(ক) প্ৰথমত ঃ [১]দদায়েকৰ স্বভাৱ তেওঁ ভালকৈ জানে, [২]বিয়াৰ চেলু লৈ দদায়েকে আবেলাৰ্ডৰ ওপৰত প্ৰতিশোধ ল'বলৈ চেষ্টা কৰিব**; আৰু,

**(খ) দ্বিতীয়ত ঃ [৩]বিয়াৰ পৰা তেওঁৰ যি ভৱিষ্যৎ উন্নতিৰ ভেটা হ'ব তাত, [৪]তেওঁ নিজকেই গৌৰৱান্বিত বুলি ভাবিব কেনেকৈ?**

ইয়াৰ **(ক)**-অংশৰ [১]গৰ্ভবাক্যটো মুখ্য গৰ্ভবাক্য, আৰু [২]গৰ্ভবাক্যটো মুখ্য গৰ্ভবাক্যৰ অন্তৰ্গত **জানে**— এই সকৰ্মক ক্ৰিয়াপদৰ কৰ্মস্থানীয় গৰ্ভ গৰ্ভবাক্য।

**(খ)** —অংশত [৩]গৰ্ভবাক্যটোৰ অন্তৰ্গত এটা গৰ্ভ গৰ্ভবাক্য; ই মুখ্য গৰ্ভবাক্যৰ সম্প্ৰসাৰক হৈছে।

প্ৰধান বাক্যৰ অন্তৰ্গত (ক) আৰু (খ) অংশ প্ৰত্যেকেই দুটা দুটাকৈ গৰ্ভ গৰ্ভবাক্যযুক্ত একোটাহঁত জটিল গৰ্ভবাক্য। আনহাতে, (ক) আৰু (খ) দুয়োটা অংশ মিলি দাঁৰিৰে সংযুক্ত (আচলতে ছেমি কোলনেৰে (ঃ) নাইবা **আৰু** অব্যয়েৰেহে সংযুক্ত হ'ব লাগিছিল) এটা মাথোন যৌগিক জটিল গৰ্ভবাক্য হৈছে। ই প্ৰধান বাক্যটোৰ **আপত্তি তুলিলে**— এই সকৰ্মক ধাতুৰ কৰ্ম স্থানীয় গৰ্ভবাক্য হৈছে।

ওপৰৰ আলোচনাৰ পৰা তোমালোকে জানিলা যে একোটা জটিল বাক্যৰ অন্তৰ্গত একাধিক গৰ্ভবাক্য থাকিব পাৰে। এই গৰ্ভবাক্যতো এটা বা ততোধিক গৰ্ভ গৰ্ভবাক্য অন্তৰ্ভুক্ত হ'ব পাৰে। সেইদৰে, গৰ্ভবাক্য বা গৰ্ভ গৰ্ভবাক্যও জটিল বা যৌগিক হ'ব পাৰে। এনেদৰেই বাক্য কেতিয়াবা বহু দীঘল কৰিব পাৰি।

**৪২। মিশ্ৰ বাক্য।** কেতিয়াবা এটা প্ৰধান বাক্যত যৌগিক বাক্য আৰু জটিল বাক্য মিশ্ৰিত হৈ থাকিব পাৰে। যেনে,

> 'সি যি হওক, **ৰাধাকৃষ্ণবাদ চৈতন্যদেৱৰ আগৰ পৰা যি ভাবে বঙ্গদেশত চলি আহিছিল, সি বৌদ্ধ আৰু হিন্দুধৰ্মৰ নিগূঢ় সংঘৰ্ষৰ পৰা উদ্ভুত হৈছিল আৰু চৈতন্যদেৱে জয়দেৱ-চণ্ডীদাস সকলৰ সহজ ভাৱকেই নিজ সাধনাৰ জীৱনত আধ্যাত্মিক ৰহস্যৰ চৰম সীমালৈ লৈ গৈছিল।'** —ড° বাণীকান্ত কাকতি।

এইটো এটা বৰ দীঘল মিশ্ৰবাক্য। ইয়াত **সি যি হওক** এটা সৰল বাক্য; ই প্ৰধান বাক্যৰ অন্তৰ্গত কোনো অধীন গৰ্ভবাক্য নহয়। সম্বোধন পদৰ সঙ্গতি যেনেকৈ গোটেই বাক্যটোৰ লগত থাকে, ঠিক তেনেকৈয়ে, **সি যি হওক** বাক্যটোৰো সঙ্গতি সমগ্ৰ বাক্যটোৰ লগতহে পোৱা যায়। অৰ্থাৎ, **সি যি হওক** আৰু বাকী গোটেই দীঘল বাক্যটো পৰস্পৰে পৰস্পৰৰ আসন্ন অঙ্গ।

**সি বৌদ্ধ আৰু হিন্দুধৰ্মৰ নিগূঢ় সংঘৰ্ষৰ পৰা উদ্ভূত হৈছিল** প্ৰধান বাক্য; ইয়াৰ অন্তৰ্গত অধীন গৰ্ভবাক্যটো হৈছে ঃ

**ৰাধাকৃষ্ণবাদ চৈতন্যদেৱৰ আগৰে পৰা যি ভাৱে বঙ্গদেশত চলি আহিছিল।**

—এই অধীন গৰ্ভবাক্যটো **সি** কৰ্তাৰ পূৰক। এতেকে, ই এটা জটিল বাক্য।

**(আৰু) চৈতন্যদেৱ জয়দেৱ-চণ্ডীদাসসকলৰ সহজ ভাৱকেই নিজ সাধনাৰ জীৱনত আধ্যাত্মিক ৰহস্যৰ চৰম সীমালৈ লৈ গৈছিল।**

—এইটো এটা দীঘল সৰল বাক্য; ইয়াক **আৰু** সংযোজক অব্যয় পদে প্ৰধান বাক্যটোৰ লগত সংযুক্ত কৰিছে।

এতেকে দেখা গ'ল, সম্পূৰ্ণ বাক্যটোত সৰল বাক্য, যৌগিক বাক্য আৰু জটিল বাক্যৰ মিশ্ৰণ ঘটিছে। এনে বাক্যকে মিশ্ৰ বাক্য বোলে।

তোমালোকে এতিয়া বুজিলা যে সৰল, যৌগিক আৰু জটিল বাক্যৰ **শ্ৰেণীবিভাগৰ ভিত্তি বাক্যৰ গঠন**। বাক্যত পদ, খণ্ডবাক্য আৰু গৰ্ভবাক্যৰ প্ৰয়োগৰ ভিত্তিতেই বেলেগ বেলেগ প্ৰকাৰৰ বাক্য পোৱা যায়।

৪৩। **উক্তিৰ ভিত্তিত বাক্যৰ প্ৰকাৰ।** বাক্য গঠনৰ অন্য বিচাৰেৰেও বাক্যৰ প্ৰকাৰ ভেদ কৰিব পাৰি। যেনে,

**বিবৃতিমূলক বাক্য, প্ৰত্যক্ষ উক্তিমূলক বাক্য আৰু পৰোক্ষ উক্তিমূলক বাক্য।**

৪৪। **বিবৃতিমূলক বাক্য।** ৰচনা, প্ৰবন্ধ, প্ৰতিৱেদন আৰু জ্ঞান বিজ্ঞানৰ আলোচনা আদিত প্ৰয়োগ হোৱা বাক্যক সাধাৰণ **বিবৃতিমূলক বাক্য** বোলে। গল্প উপন্যাসতো বিবৃতিমূলক বাক্য পোৱা যায়। এই ব্যাকৰণখনৰ আলোচনাতো তোমালেকে বিবৃতিমূলক বাক্যকে পঢ়ি আছাহঁক।

৪৫। **প্ৰত্যক্ষ উক্তিমূলক বাক্য।** কথা বতৰা পাতোঁতে এজন ব্যক্তিয়ে আন এজনক যি ভাগে কথা কয়, ঠিক সেই ভাগেই যদি কোৱা বা লিখা হয়, তেনেহ'লে, এনে বাক্যক **প্ৰত্যক্ষ উক্তি** বোলে। নাটকৰ চৰিত্ৰৰ মুখৰ বচনবোৰ প্ৰত্যক্ষ উক্তি; গল্প উপন্যাসতো প্ৰত্যক্ষ উক্তি পোৱা যায়। যেনে,

(ক) এনেতে ভকতচৰণ ডেকা বৰুৱাই মাত লগালে, '**গোসাঁইদেউ, আমাৰ মনত এটা আশঙ্কা আছে। কোনোৱে তাক ভাঙিব পৰা নাই; আপুনি কৃপা কৰি ভাঙি দিয়ক।**' (হেমচন্দ্ৰ বৰুৱাৰ কোৱা ভাতুৰী)

ইয়াত ঊৰ্ধ্বকৰ্মাৰ ভিতৰৰ বাক্য কেইটা প্ৰত্যক্ষ উক্তিত আছে। কাৰণ, বক্তাজনৰ মুখৰ কথাকে ইয়াত তুলি দিয়া হৈছে।

(খ) চিত্ৰ। **মই গন্ধৰ্ব, চিত্ৰ বিক্ৰেতা। মই চিত্ৰ বেচি ফুৰোঁ।**
সনাতন। **তুমি ইয়ালৈ অহা কিমান দিন হ'ল?**
চিত্ৰ। **মই এতিয়া আহি পাইছোঁহিহে।**
সনাতন। **তুমি এতিয়া ক'ৰ পৰা আহিলা?**
চিত্ৰ। **মই বহু ৰাজ্য ঘূৰি ঘূৰি আহিছোঁ।**

(জ্যোতিপ্ৰসাদ আগৰৱালা ঃ শোণিত কুঁৱৰী)

ইয়াত চিত্ৰ (চিত্ৰলেখা) আৰু সনাতনৰ কথোপকথনবোৰ প্ৰত্যক্ষ উক্তিত আছে। নাটৰ প্ৰত্যক্ষ উক্তিবোৰ ঊৰ্ধ্বকমাৰে দেখুওৱা নহয়।

(গ) কবিতা বা পদ পুথিতো প্ৰত্যক্ষ উক্তি পোৱা যায়। যেনে,

মাৱৰ বচন শুনি পাশ চাপি
হাসিয়া বোলে কাণাই।
**কেনেকুৱা গোটে কাণ খাই ফুৰে**
**চিনোৱা হাৰলী আই।।**

(শ্ৰীধৰ কন্দলি ঃ কাণখোৱা)

ইয়াত **কেনেকুৱা গোটে**.................**হাৰলী আই**— এইফাকি প্ৰত্যক্ষ উক্তি। প্ৰাচীন কালত ঊৰ্ধ্বকমাৰ প্ৰয়োগ নাছিল কাৰণে কবিতা ফাকিত ঊৰ্ধ্বকমা দিয়া নাই।

(ঘ) বিদুৰে পুচন্ত ঃ **হে মৈত্ৰেয়, পৃথিৱী উদ্ধাৰিতে যজ্ঞ বৰাহৰ হিৰণ্যাক্ষ সমে কি নিমিত্তে যুদ্ধ হৈল তাক কহ।**

(ভট্টদেৱ ঃ কথাভাগৱত)

এইটোও পুৰণি পুথিৰ উদ্ধৃতি; সেইকাৰণে প্ৰত্যক্ষ উক্তি বুজাবলৈ ঊৰ্ধ্বকমা দিয়া নাই।

(ঙ) আৰু কমতেশ্বৰে বোলে **পুৰোহিতৰ বেটাও নষ্ট গৈল, আমাৰো ভাৰ্যা কলঙ্কী হৈ ৰহিল।**

এই প্ৰত্যক্ষ উক্তিৰ উদাহৰণটো অসম বুৰঞ্জীৰ পৰা লোৱা। বুৰঞ্জীৰ পুথিবোৰতো প্ৰত্যক্ষ উক্তি বুজাবলৈ ঊৰ্ধ্বকমাৰ প্ৰয়োগ নহৈছিল। **বোলে** বা **বুলিলে**, অৰ্থাৎ **ক'লে** বুলি লিখি তাৰ পিচতে কমা দিন দি, বা কেতিয়াবা নিদিয়াকৈয়ে প্ৰত্যক্ষ উক্তি লিখাৰ নিয়ম আছিল।

পুৰণি অসমীয়া কথিত ভাষাৰ নিদৰ্শন কথা গুৰুচৰিত পুথিত পোৱা যায়। তাত কেনেদৰে প্ৰত্যক্ষ উক্তি পোৱা গৈছিল তলৰ বাক্য কেইটাৰ পৰা বুজিব পাৰিবা। যেনে,

(চ) গুৰুজনে পৰমাৰ্থেই কলে। বোলে মহাৰাজ এই মানকৈহে পাৰি। ৰাজা বোলে তোমৰা কি সাত প্ৰকাৰেও পৰা যায় প্ৰমাণ পালোঁ।

(ছ) ভোজন কৰিছে ঠাকুৰক তাকৰকৈ দিছে ঢুকাল। বোলে দিমনে? বোলে দিয়াযক। বোলে হো, তুমি দহোঁ তুলিবই নিদিয়া? বোলে তেনে মাছ এনে হয় বুলি কোনে জানে?

৪৬। আজিকালি ক'লে, সুধিলে, মাতিলে, মাতদিলে, উত্তৰ দিলে আদি যথোচিত সমাপিকা ক্ৰিয়াৰ পিচত কমা চিন (,) দি উক্তিটো উৰ্দ্ধকমাৰ ভিতৰত লিখা হয়। যেনে,

(জ) শিয়ালে কাউৰীজনীলৈ চাই ক'লে, 'তুমি ইমান সুন্দৰী, তোমাৰ মাতটিও বৰ সুললিত বুলি শুনিছোঁ। এটি গীত গাই মোক ধন্য কৰা।'

(ঝ) মোক দেখি দূৰৰ পৰাই মাত দিলে, 'বন্ধু, তুমিনো ইমান দিন ক'ত আছিলাগৈ?'

কেতিয়াবা প্ৰত্যক্ষ উক্তিৰ কথা খিনি প্ৰথমে কৈ তাৰ পিচতহে ডেচ (—) এডাল দি কোনে কৈছে সেই কথা লিখা হয়। যেনে,

(ঞ) 'আজি মোৰ গাটো ভাল নহয়। বাৰু, লৰালৰিকৈ জোবোৰাটো মাৰিয়েই গৈছোঁ। তই যা।'— বুলি দীঘল হুমুনিয়াহ এটা পেলাই আঘোণী ভিতৰ সোমাল।

(ড° বিৰিঞ্চিকুমাৰ বৰুৱা)

(ট) 'থানালৈ গৈ কিমান চিএৰ চিএৰিবি। এতিয়া সজে সজে অথনি জেপ কাটি অনা এই বাবুৰ মনিবেগটো ঘূৰাই দে।'

(ড° বিৰিঞ্চিকুমাৰ বৰুৱা)

এই কথাষাৰ কোনে কৈছে উল্লেখ কৰা নাই যদিও ই যে প্ৰত্যক্ষ উক্তি সেইকথা পঢ়িলেই ধৰিব পাৰি।

৪৭। **পৰোক্ষ উক্তি**। যি উক্তিত কথা নিজে পোনপটীয়াকৈ নকৈ আনে কোৱাৰ দৰে কোৱা হয় তাকে পৰোক্ষ উক্তি বোলে। পুৰণি কালত অসমীয়া মানুহে তেনে পৰোক্ষ উক্তি বৰকৈ ব্যৱহাৰ নকৰিছিল। **বুলি, বোলে** আদি প্ৰয়োগ কৰি প্ৰত্যক্ষ উক্তিৰেই পৰোক্ষ বক্তব্য প্ৰকাশ কৰিছিল। আজি কালি ইংৰাজী ভাষাৰ বাক্যৰীতিৰ প্ৰভাৱত **বোলে, বুলি**-ৰ প্ৰয়োগ কমি গৈছে, তাৰ ঠাইত **যে**-ৰ প্ৰয়োগ হ'ব ধৰিছে। তাকে দেখি আমাৰ প্ৰচলিত ব্যাকৰণবোৰতো ইংৰাজীৰ আৰ্হিত প্ৰত্যক্ষ উক্তিক পৰোক্ষ উক্তিলৈ, আৰু পৰোক্ষ উক্তিক প্ৰত্যক্ষ উক্তিলৈ ৰূপান্তৰকৰণৰ উদাহৰণ দিয়ে। তেনে উদাহৰণবোৰত, সেয়েহে, খাচ অসমীয়া বচন ভঙ্গি বা ঠাঁচ প্ৰকাশ নাপায়। যেনে ঃ

(ক) মাধুৰিমাই ক'লে যে তাই আজি আহিব নোৱাৰে।

এই বাক্যটো আচলতে অসমীয়া ঠাঁচত এনেহে হ'ব লাগে ঃ

আজি আহিব নোৱাৰে বুলি মাধুৰিমাই ক'লে; নাইবা,

মাধুৰিমাই ক'লে বোলে আজি তাই আহিব নোৱাৰে। নাইবা,

মাধুৰিমাই ক'লে, আজি তাই আহিব নোৱাৰে।

ইংৰাজীৰ আৰ্হিত ক'বলৈ হ'লে, ওপৰৰ গোটেই কেইটা বাক্যতে আজি পদৰ ঠাইত সেইদিনা পদৰ ব্যৱহাৰ হ'লেহে শুদ্ধ হয়।

(খ) ৰামে ক'লে, 'সীতা, তুমি মোৰ লগত বনলৈ যাব নালাগে; কষ্ট পাবা।'

ইংৰাজীৰ আৰ্হিত এই বাক্যটোৰ পৰোক্ষ উক্তি হ'ব এনেকুৱা ঃ

**ৰামে সীতাক ক'লে যে তেওঁৰ লগত সীতা বনলৈ যাব নালাগে; কষ্ট পাব।**

অসমীয়া ঠাঁচত ক'বলৈ হ'লে হ'ব ঃ

**ৰামে সীতাক ক'লে বোলে তেওঁৰ লগত সীতা বনলৈ যাব নালাগে, কষ্ট পাব।** নাইবা,

**বনলৈ গ'লে কষ্ট পাব কাৰণে ৰামে সীতাক তেওঁৰ লগত যাব নালাগে বুলি ক'লে।**

নাইবা, এই কথাষাৰকে অন্য প্ৰকাৰে সাধাৰণ বিবৃতিৰ দৰেও ক'ব পাৰি। যেনে ঃ

**ৰামে সীতাক তেওঁৰ লগত বনলৈ যাবলৈ হাক দিলে, কাৰণ তেওঁ (সীতাই) কষ্ট পাব।**

তলত জ্যোতিপ্ৰসাদ আগৰৱালাৰ শোণিত কুঁৱৰী নাটৰ উক্তি কেইটামান পৰিৱৰ্তন কৰি দেখুওৱা হৈছে ঃ (প্ৰঃ উঃ প্ৰত্যক্ষ উক্তি, পঃ উঃ পৰোক্ষ উক্তি)

প্ৰঃ উঃ— **চিত্ৰলেখা। সখী, তুমি বেজাৰ নকৰিবা। মই তেওঁক আনি দিম।**

পঃ উঃ— **চিত্ৰলেখাই সখীয়েকক বেজাৰ কৰিবলৈ হাক দি তেওঁ (চিত্ৰলেখাই) তেওঁক আনি দিব বুলি আশ্বাস দিলে।**

প্ৰঃ উঃ— **সনাতন। তাৰ পিচত সেই চিত্ৰ বেচোঁতা গন্ধৰ্ব ল'ৰাটো এদিন আকৌ প্ৰাসাদলৈ আহিছিল।**

পঃ উঃ— **সনাতনে ক'লে যে, (অথবা ক'লে বোলে) তাৰ পিচত সেই চিত্ৰ বেচোঁতা গন্ধৰ্ব ল'ৰাটো আকৌ এদিন প্ৰাসাদলৈ আহিছিল। নাইবা, তাৰ পিচত সেই চিত্ৰ বেচোঁতা গন্ধৰ্ব ল'ৰাটো আকৌ এদিন প্ৰাসাদলৈ আহিছিল বুলি সনাতনে জনালে।**

প্ৰঃ উঃ— **শ্ৰীকৃষ্ণ। চিত্ৰলেখা! ওঁ, হ'ব পাৰে।**

পঃ উঃ— **চিত্ৰলেখাক সম্বোধন কৰি শ্ৰীকৃষ্ণয় তেওঁৰ (চিত্ৰলেখাৰ) সমৰ্থনত**